# ECHO OF HIS CALL

ASSAMESE

ECHO OF HIS CALL
REACHING NATIONS
SINCE 1969
1969 TO 2029

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXVI** YEAR OF OUR LORD JESUS CHRIST, 2025 DECEMBER **No. 06**

## পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

### যিচয়া ৯:২-৬

২। যি জাতি আন্ধাৰত ফুৰিছিল, তেওঁবিলাকে মহাজ্যোতি দেখিবলৈ পালে; যিবিলাকে মৃত্যুচ্ছায়াৰ দেশত বাস কৰিছিল, তেওঁবিলাকৰ ওপৰত দীপ্তি প্ৰকাশিত হ'ল।

৩। তুমি সেই জাতিক বৃদ্ধি কৰিলা, তুমি তেওঁবিলাকৰ আনন্দ বঢ়ালা; শস্য দোৱা সময়ত আনন্দ কৰাৰ আৰু লুটদ্ৰব্য ভাগ-বাঁটি লোৱা সময়ত উল্লাস কৰাৰ দৰে তেওঁবিলাকে তোমাৰ সাক্ষাতে আনন্দ কৰে।

৪। কিয়নো তুমি মিদিয়নৰ দিনত কৰা নিচিনাকৈ তেওঁবিলাকৰ ভাৰস্বৰূপ যুঁৱলি, তেওঁবিলাকৰ কান্ধৰ কানমাৰি আৰু তেওঁবিলাকৰ উপদ্ৰৱকাৰীৰ দণ্ড ভাঙি পেলালা।

৫। কাৰণ ঘোৰ যুদ্ধত সুসজ্জিত থকা সৈন্যৰ সকলো প্ৰকাৰ সাজ আৰু তেজেৰে লেটিপেটি হোৱা পোচাক জুইৰ খৰি কৰি পোৱা যাব।

৬। কিয়নো আমালৈ এটি ল'ৰা জন্মিল, আমাক এটি পুত্ৰ দান কৰা হ'ল; আৰু তেওঁৰ কান্ধত শাসনভাৰ অৰ্পিত হ'ব আৰু তেওঁ আশ্চৰ্য্য, মন্ত্ৰী, পৰাক্ৰমী ঈশ্বৰ, অনন্তকালস্থায়ী পিতৃ আৰু শান্তিৰাজ নামেৰে প্ৰখ্যাত হ'ব।

## প্ৰকৃত পোহৰ যীচু খ্ৰীষ্টই আপোনাৰ আন্ধাৰ আঁতৰাই পেলাব! - ভনী, এঞ্জেল

**THE TRUE LIGHT JESUS CHRIST WILL REMOVE YOUR DARKNESS!**

*Sis. Angel*



আমাৰ সকলো তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ বৰ্ধিত পৰিয়াললৈ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামত বৰদিনৰ শুভেচ্ছা জনালোঁ।

বহুতে বিতৰ্ক কৰে যে, আমি বৰদিন উদ্‌যাপন কৰা উচিত নে নহয় সেই বিষয়ে যীচু খ্ৰীষ্টৰ জন্ম সঁচাকৈয়ে ২৫ ডিচেম্বৰত হৈছিল নেকি। অৱশ্যে সেইটোৱেই আমাৰ কেন্দ্ৰবিন্দু হ'ব নালাগে। অনস্বীকাৰ্য সত্যটো হ'ল তেওঁৰ জন্ম হৈছিল - ঈশ্বৰ এই পৃথিবীলৈ কেঁচুৱা হিচাপে আহিছিল, আমাৰ পৰিত্ৰাণৰ বাবে মৃত্যুৰ নিয়তি। আহক আমি এই ঋতুটোক এটা সুযোগ হিচাপে ব্যৱহাৰ কৰি ঘোষণা কৰোঁ যে যীচু খ্ৰীষ্টই এই ঋতুৰ কাৰণ।

বৰদিন বজাৰ কৰা, সজ্জা, চাণ্টাক্লজ বা উৎসৱমুখৰ পৰম্পৰাৰ কথা নহয়। ই যীচু খ্ৰীষ্টৰ জন্মৰ প্ৰকৃত উদ্দেশ্য প্ৰকাশ আৰু ভাগ-বতৰা কৰাৰ বিষয়ে ঃ

**পৰজাতিসকলৰ বাবে (সকলো জাতিলৈ) প্ৰকাশ আনিবলৈ এটা পোহৰ ... লুক ২:৩২ (NKJV)** যীচু খ্ৰীষ্টই নিজেই ঘোষণা কৰিছিল ঃ

৩ পৃষ্ঠাত চাওঁক



ইখ অফ হীজ কল ৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

ECHO OF HIS CALL REACHING NATIONS SINCE 1969

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি - (Marching towards 60th year)

Estd. 1969

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...





### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোধক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Dr. Angeline S. Kumari, M.A., M.Sc., M.Ed.
EX MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A, M.Sc.(C&P), PGDHRM, MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.org
YOUTUBE CHANNEL
Echo of His Call

*"... পাছে কাল সম্পূৰ্ণ হ'লত... তিৰোতাত জন্ম পোৱা আৰু বিধানৰ অধীনে জন্ম পোৱা নিজ পুত্ৰক ঈশ্বৰক পঠাই দিলে*
*— গালাতীয়া ৪:৪-৫।*

প্ৰভুত মোৰ প্ৰিয়,


ঈশ্বৰৰ অনুগ্ৰহত আমি এই বছৰৰ অন্তিম মাহত প্ৰৱেশ কৰিলোঁ। আমাৰ পৰিচৰ্যাত আমাক অহৰহ ৰক্ষা, পথ প্ৰদৰ্শন আৰু শক্তিশালী কৰা প্ৰভু ভাল আৰু আমাৰ সকলো প্ৰশংসাৰ যোগ্য।

আমাৰ মণ্ডলীৰ নেতাসকল, তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ কৰ্মচাৰী, নহিমিয়া বাইবেল কলেজৰ অধ্যাপক, ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু ছপাশালৰ দলটিয়ে আগন্তুক বছৰত আমাৰ পৰিচৰ্যাৰ সম্প্ৰসাৰণ আঁচনি লৈছে।



মুখ্য মণ্ডলীত যুবক-যুৱতীসকলক চলাওতাসকল

ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলত অধ্যয়ন কৰা বহু ছাত্ৰ-ছাত্ৰীয়ে শাৰীৰিক প্ৰত্যাহ্বান বা অন্যান্য কঠিন পৰিস্থিতিৰ সন্মুখীন হয়। তেওঁলোকৰ পটভূমিৰ বিষয়ে জানিলে প্ৰায়ে হৃদয় বিদাৰক হয়। তথাপিও আমাৰ শিক্ষকসকলে গভীৰ মমতা আৰু দায়বদ্ধতাৰে তেওঁলোকক অতি নিষ্ঠাৰে শিকাই, লালন-পালন আৰু যত্ন লৈয়েই আছে।



*Speech by Sister Dr. Renuka on Children's Day at our St. Paul's Matriculation School*

আমাৰ মণ্ডলীৰ কৰ্মীসকলে নিষ্ঠাৰে আন্তৰিক ভক্তিৰে প্ৰভুৰ সেৱা কৰি আছে। বিশেষকৈ আমাৰ মহিলাৰ প্ৰাৰ্থনা দল, পুৰুষৰ প্ৰাৰ্থনা দল, নিশাৰ প্ৰাৰ্থনা দল, উপবাস প্ৰাৰ্থনা দল, দেওবাৰৰ বিদ্যালয়ৰ শিক্ষক দল, ইউটিউব সেৱা দল আৰু প্ৰশাসনিক কৰ্মচাৰীসকলে আমাৰ জাতিটোৰ পুনৰুজ্জীৱন আৰু আমাৰ সেৱাৰ নিৰন্তৰ বৃদ্ধিৰ বাবে আন্তৰিকতাৰে প্ৰাৰ্থনা কৰি আছে। আমি আপোনালোকক এই প্ৰাৰ্থনা সেৱাত আমাৰ সৈতে যোগদান কৰিবলৈ উষ্ম আমন্ত্ৰণ জনাইছো।

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development



উপবাস প্ৰাৰ্থনাৰ দল

এই মাহটোৰ ভিতৰত আমি অনাগত লোকসকলৰ ওচৰলৈ যাবলৈ আৰু তেওঁলোকক ঐশ্বৰিক জীৱনৰ পূৰ্ণতালৈ লৈ যাবলৈ বিভিন্ন কাৰ্যসূচীৰ পৰিকল্পনা কৰিছো। এই প্ৰচেষ্টাসমূহৰ বাবে আপোনালোকৰ আন্তৰিক প্ৰাৰ্থনা আমি আন্তৰিকতাৰে লাভ কৰিছো।

গোটেই ২০২৫ চনত আপোনালোকৰ বিশ্বাসী প্ৰাৰ্থনা, মাহেকীয়া আৰ্থিক সহায় আৰু উদাৰ বিশেষ প্ৰসাদৰ বাবে আমি গভীৰভাৱে কৃতজ্ঞ হৈ আছো। আগন্তুক দিনত আপোনালোকৰ অবিৰত প্ৰাৰ্থনা আৰু অটল সমৰ্থনক আমি উৎসাহিত কৰিছো।

এই আনন্দৰ বতৰটো উদ্‌যাপন কৰাৰ সময়ত আমি আপোনালোক সকলোকে **বৰদিনৰ শুভেচ্ছা আৰু ২০২৬ চনত ধন্য নৱবৰ্ষৰ শুভেচ্ছা জনাইছো!**

আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোকৰ লগত থাকক।

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,

পালক এছ চাম চেলভা ৰাজ ইমেইল ঃ sam@echoofhiscall.org

*************

১ম পৃষ্ঠাৰ পৰা

**যিমান দিন জগতত আছো, সিমান দিন মই জগতৰ পোহৰ।** যোহন ৯:৫ - (NIV)। গতিকে বৰদিন এই মহান পোহৰৰ উদ্‌যাপন।

এই পোহৰৰ বিষয়ে বাইবেলে কি কৈছে চাওঁ আহক ঃ

**পৃথিৱী নিৰ্জন আৰু শূণ্য হৈ আছিল, আৰু আন্ধাৰ অগাধজলৰ ওপৰত আছিল আৰু ঈশ্বৰৰ আত্মাই জলসমূহৰ ওপৰত উমাইছিল।** আদিপুস্তক ১:২, আদিতেও আন্ধাৰে পৃথিৱীখন ঢাকি ৰাখিছিল তথাপিও ঈশ্বৰৰ আত্মাই ইয়াৰ ওপৰত অস্পৃশ্য আৰু অকম্পিত উমাইছিল।

**সেই পোহৰ আন্ধাৰত প্ৰকাশিত হৈ আছে, কিন্তু আন্ধাৰে তাক পৰাভূত নকৰিলে।** (যোহন ১:৫)


## অন্যান্য অনুবাদে ইয়াক সুন্দৰকৈ প্ৰকাশ কৰিছে!

**আন্ধাৰে কেতিয়াও নুমুৱাব নোৱাৰে।**

**আন্ধাৰে ইয়াক বুজি নাপালে।**

**আন্ধাৰে বুজি নাপালে বা আওৰি ধৰিলে।**

য'ত পোহৰ দেখা যায় তাতেই আন্ধাৰ নোহোৱা হৈ যায়। দুয়োৰে মাজত কোনো সংগ্ৰাম নাই পোহৰ সদায় জয়ী হয়।



পোহৰৰ পৰা পলাই যোৱা আন্ধাৰ

## ১। পাপৰ মাজতো পোহৰ জিলিকি উঠে!

পাপে মানুহক ঈশ্বৰৰ পৰা পৃথক কৰি পেলালে। সকলো তেওঁৰেই মহিমা। সৃষ্টিৰ উদ্দেশ্যটোৰেই - ঈশ্বৰ আৰু মানুহৰ মাজৰ সহভাগিতা এদেন বাগিচাত ভাঙি গ'ল, ঈশ্বৰ আৰু মানৱতাৰ মাজত এক বৃহৎ খাদৰ সৃষ্টি হ'ল।

কোনো পৰিমাণৰ পশু বলিয়েই আমাৰ পাপৰ প্ৰায়শ্চিত্ত সঁচাকৈয়ে কৰিব নোৱাৰিলে। কেৱল ঈশ্বৰৰ নিৰ্দোষী মেৰ পোৱালি যীচু খ্ৰীষ্টৰ আগমন আৰু বলিদানেহে আমাক পিতৃৰ লগত মিলন ঘটাব পাৰিছিল।

যীচুৱে এই জগতলৈ আহিছিল পাপৰ ফলত হোৱা ভগ্ন সম্পৰ্কটো মেৰামতি কৰিবলৈ আমাক ঈশ্বৰৰ সৈতে পুনৰ একত্ৰিত কৰিবলৈ। তেওঁৰ বহুমূলীয়া তেজৰধাৰা আমি এতিয়া ভয় বা সংকোচ নোহোৱাকৈ ঈশ্বৰৰ সন্মুখত অহাৰ সৌভাগ্য লাভ কৰিছো।

ভুৱা আৰু সংসাৰিক বিক্ষিপ্ততাৰ যোগেদি চয়তানে বহুতৰে মন অন্ধ কৰি পেলাইছে। এই আধ্যাত্মিক অন্ধকাৰত চলিবলৈ, কৰিবলৈ আমাক ঈশ্বৰৰ পোহৰৰ প্ৰয়োজন। জগতখনে "স্বাভাৱিক" বুলি কোৱা বহুতো কথাই ঈশ্বৰৰ সত্যৰ প্ৰত্যক্ষ বিৰোধিতা কৰে।




আমাৰ ঠিকনা ঃ

## এটি জৰুৰী জাননী !

অদূৰ ভৱিষ্যতে ইক অফ হিজ কল ডাকযোগে প্ৰেৰণৰ ক্ষেত্ৰত অনিবাৰ্য বিঘিনি ঘটিব পাৰে। যদি আপুনি বিনা বাধাই ইক অফ হিজ কল লাভ কৰিব বিচাৰে তেন্তে তৎক্ষণাত চিঠি, ই-মেইল, ফোনকল বা মেছেজ/ৱাটচ এপ্ বাৰ্তাৰ জৰিয়তে আমালৈ আপোনাৰ নাম, ঠিকনা, ই-মেইল আৰু ৱাটচ এপ্ নম্বৰ প্ৰেৰণ কৰক।

আপোনাৰ সমৰ্থনে আমাক আপোনাক ভালদৰে সেৱা আগবঢ়োৱাত সহায় কৰে।

**ECHO OF HIS CALL,**
**10, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005, India**
**Cell: (+91) 98412 71858 / 98410 71858 E.mail: sam@echoofhiscall.org**



**আমাক ঈশ্বৰৰ পোহৰ লাগে**

প্ৰভুৱে আমাৰ হৃদয়ত তেওঁৰ পোহৰ উজ্জ্বল কৰক, আমাৰ আৰু তেওঁৰ মাজত থকা যিকোনো বস্তু উন্মোচন কৰক যাতে আমি পুনৰুদ্ধাৰ কৰা সহভাগিতাত চলিব পাৰো।

## ২। আন্ধাৰত পোহৰ জিলিকি উঠে!

য'তেই চাওঁ, তাতেই দেখা পাওঁ অন্ধকাৰ- যুদ্ধ, দৰিদ্ৰতা, দুৰ্নীতি, অপৰাধ, ঘৃণা আৰু নৈতিক অৱক্ষয়। যুৱক-যুৱতীসকল হতাশ হৈ পৰিছে, কিছুমানে আনকি নিজৰ জীৱনো শেষ কৰে। সমাজে পাপৰ মহিমা কৰে আৰু ধাৰ্মিকতাক উপহাস কৰে। এনে লাগে যেন পৃথিৱীখন প্ৰতিদিনে আন্ধাৰ হৈ আহিছে।

আমি প্ৰায়ে মানুহে কোৱা শুনিবলৈ পাওঁ, "আমাৰ সময়ত কথাবোৰ বেলেগ আছিল।" শিক্ষা, প্ৰযুক্তি আৰু কৌতুহলে বহু দুৱাৰ মুকলি কৰিছে যদিও সকলোবোৰ ঈশ্বৰৰ পৰা নহয়।

এই শেষ দিনবোৰৰ বিষয়ে বাইবেলে আমাক সৰ্তক কৰি দিছে ঃ

**... শেষ দিনবোৰত ভয়ংকৰ সময় আহিব। মানুহ হ'ব নিজৰ প্ৰেমিক, টকাৰ প্ৰেমী, গৌৰৱ কৰা, গৌৰৱান্বিত, গালি-গালাজ কৰা, পিতৃ-মাতৃৰ অবাধ্য, অকৃতজ্ঞ, অপবিত্ৰ, প্ৰেমহীন, ক্ষমাহীন, নিন্দা কৰা, আত্ম নিয়ন্ত্ৰণহীন, নিষ্ঠুৰ, ভালৰ প্ৰেমী নহয়, বিশ্বাসঘাতক, উত্থাপিত, অহংকাৰী, ঈশ্বৰৰ প্ৰেমৰ পৰিবৰ্তে আনন্দৰ প্ৰেমী, ঈশ্বৰভক্তিৰ এটা ৰূপ থকা কিন্তু ইয়াৰ শক্তিক অস্বীকাৰ কৰা। এনে তেওঁলোকৰ (মানুহ)ৰ লগত কোনো সম্পৰ্ক নাথাকিব।** ২ তীমথিয় ৩:১-৫ পদ।

এই নৈতিক অৱনতিৰ বৰ্ণনা কৰাৰ পিছত পৌলে লগতে কয়, "এনে মানুহৰ লগত কোনো সম্পৰ্ক নাথাকিব।"

পৃথিৱীখন আন্ধাৰ হ'লেও ঈশ্বৰৰ মহিমাৰ বাবে জিলিকি থাকিব লাগিব!



**যিবিলাক অন্ধকাৰত বহি আছিল মহাজ্যোতি দেখিবলৈ পালে**

**যিবিলাক অন্ধকাৰত বহি আছিল মহাজ্যোতি দেখিবলৈ পালে, যিবিলাক মৃত্যুছয়ৈতে দেশ আৰু ছাঁয়াত বহি আছিল, তেওঁলোকৰ ওপৰত জ্যোতি উদয় হ'ল।** মথি ৪:১৬ পদ

এই বৰদিনৰ বতৰত মই প্ৰাৰ্থনা কৰোঁ যে ঈশ্বৰে কেৱল এই পৃথিৱীতে নহয়, আমাৰ পৰিয়ালত, আমাৰ কৰ্মক্ষেত্ৰতো প্ৰতিটো আন্ধাৰৰ মাজেৰে উজ্জ্বল হওক। তেওঁ ঘোষণা কৰক যে তেওঁ আমাৰ ঘৰত, আমাৰ সন্তানত, আমাৰ বিবাহত, আমাৰ শিক্ষাত, আমাৰ স্বাস্থ্য আৰু আমাৰ বিত্তীয় অৱস্থাত আমাৰ জগতৰ পোহৰ।

ডাক্তৰ, আত্মীয়, নেতা, কৰ্তৃপক্ষই আমাৰ বিৰুদ্ধে কোৱা প্ৰতিটো নেতিবাচক শব্দ - ঈশ্বৰৰ পোহৰত ভাঙি যাওক!

আমি নতুন বছৰত ভৰি দিয়াৰ লগে লগে আমি যীচু খ্ৰীষ্টত বিশ্বাস আৰু স্পষ্টতাৰে খোজ দিওঁ।

**কিয়নো তুমিয়েই মোৰ প্ৰদীপ জ্বলাওঁতা; মোৰ ঈশ্বৰ যিহোৱাই মোৰ আন্ধাৰক পোহৰ কৰি দিয়ে** — গীতমালা ১৮:২৮।

## ৩। ভয়ৰ মাজেৰে পোহৰ জিলিকি উঠে!

যেতিয়া খ্ৰীষ্টৰ জন্মৰ সংবাদ মেৰ ৰখীয়াসকলক দিয়া হ'ল, তেওঁলোকে অতিশয় ভয় খালে।

**এনেতে প্ৰভুৰ এজন দূত আহি তেওঁলোকৰ ওচৰত থিয় হ'ল আৰু তেওঁলোকৰ চাৰিওফালে প্ৰভুৰ মহিমা প্ৰকাশিত হ'ল; তাতে তেওঁলোকৰ অতিশয় ভয় লাগিল। কিন্তু দূতে তেওঁলোকক ক'লে, "ভয় নকৰিবা; কিয়নো চোৱা, যি শুভবাৰ্তা সকলোৰে নিমিত্তে হ'ব।"** — লুক ২:৯-১০

স্বৰ্গৰ পোহৰে নিশাৰ আকাশখন বিন্ধি যোৱাৰ সময়ত তেওঁলোকৰ ভয়টো কল্পনা কৰক!

গেব্ৰিয়েলে আবিৰ্ভাৱ হোৱাৰ সময়ত মৰিয়মেও ভয় খাইছিল ঃ



**ভয় নকৰিবা, মৰিয়ম**

**মৰিয়ম অতিশয় বিচলিত হৈছিল ... কিন্তু স্বৰ্গদূতে তাইক ক'লে, "মৰিময় ভয় নকৰিবা..."** - লুক ১:২৯-৩০।।

ভয় স্বাভাৱিক যেতিয়া কিন্তু যীচু খ্ৰীষ্টৰ পোহৰ জিলিকিব তেতিয়া ভয় পলাই যাব লাগিব।

ঈশ্বৰৰ দৃষ্টিত আমি বহুমূলীয়া। আহক আমি আমাৰ ভয়বোৰ এৰি দিও আৰু মৰিয়মৰ দৰে উত্তৰ দিওঁ ঃ

**মইপ্ৰভুৰ দাস, ...মোৰ প্ৰতি তোমাৰ বাক্য পূৰ্ণ হওক...** (লুক ১:৩৮)

৬ পৃষ্ঠাত চাওক

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1999

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**২০২৫ বৰ্ষৰ ১৯ ডিচেম্বৰৰ পৰা ২০২৬ বৰ্ষৰ ১৮ জানুৱাৰীলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰোঁ কাৰণ ...

**১৯ ডিচেম্বৰ** ঃ আমাৰ অনুবাদক, সহযোগী সম্পাদক, সমন্বয়ক আৰু তেওঁলোকৰ পৰিয়ালক আশীৰ্বাদ প্ৰদানৰ বাবে।

**২০ ডিচেম্বৰ** ঃ আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিক স্কুল, নহিমিয়া বাইবেল কলেজ, থিয়লজিকেল কৰ্পৰেশ্যন কৰ্চ, যিবোৰে কম সৌভাগ্যৱান লোকৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে।

**২১ ডিচেম্বৰ** ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবস্ক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ আৰু মহান আজ্ঞাৰ অংশীদাৰ লগতে তেওঁলোকৰ পৰিয়ালৰ প্ৰতি ঈশ্বৰৰ দয়াৰ বাবে।

**২২ ডিচেম্বৰ** ঃ আমাৰ বহুবিধ সেৱাৰ জৰিয়তে অপ্ৰাপ্য আত্মাৰ ওচৰলৈ যাবলৈ আমাক সহায় কৰাৰ বাবে।

**২৩ ডিচেম্বৰ** ঃ আমাৰ পৰিচৰ্যা কৰ্মীসকলৰ পৰিয়ালসমূহৰ ওচৰত তেওঁৰ প্ৰচুৰ আশীৰ্বাদৰ বাবে।

**২৪ ডিচেম্বৰ** ঃ তেওঁৰ আশীৰ্বাদৰ বৰষুণ আমাৰ শ্ৰমিক পৰিয়ালৰ ওপৰত থকাৰ বাবে।

**২৫ ডিচেম্বৰ** ঃ এই বছৰৰ আমাৰ সকলো খ্ৰীষ্টমাছ উদ্‌যাপনৰ আশীৰ্বাদৰ বাবে।

**২৬ ডিচেম্বৰ** ঃ আমাৰ সকলোকে মুক্ত কৰিবলৈ অহা জগতৰ ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ জন্মৰ বাবে।

**২৭ ডিচেম্বৰ** ঃ আমাৰ জ্যেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালৰ ওপৰত ঐশ্বৰিক সুৰক্ষা, তেওঁলোকক সকলো ধৰণৰ দুষ্ট শক্তিৰ পৰা ৰক্ষা কৰা।

**২৮ ডিচেম্বৰ** ঃ আমাৰ মূল মণ্ডলী আৰু ইয়াৰ শাখাসমূহত দেওবাৰৰ বিদ্যালয়ৰ বাবে অধিক সন্তানৰ সৈতে আমাক আশীৰ্বাদ দিয়া।

**২৯ ডিচেম্বৰ** ঃ এই বছৰটোৰ ভিতৰত ঈশ্বৰৰ সেৱকসকলক ঐশ্বৰিক সুৰক্ষাৰে আশীৰ্বাদ দিয়া।

**৩০ ডিচেম্বৰ** ঃ এই বছৰটোৰ ভিতৰত খ্ৰীষ্টান সংগঠনসমূহৰ মসৃণ আৰু ফলপ্ৰসূ কাৰ্যকলাপৰ বাবে।

**০১ জানুৱাৰীঃ** সমগ্ৰ নৱবৰ্ষ ২০২৬ ত বিশ্বৰ সকলো পাঠক আৰু জনসাধাৰণৰ বাবে শান্তি কামনা কৰাৰ বাবে।

**০২ জানুৱাৰীঃ** ঈশ্বৰে আমাৰ মুখ্য আৰু শাখা মণ্ডলীসমূলক অধিক বিশ্বাসেৰে দিয়া আশীৰ্বাদৰ বাবে।

**০৩ জানুৱাৰীঃ** ২০২৬ বৰ্ষত সকলো মণ্ডলী আৰু বিশ্বাসীক ভাল প্ৰতিশ্ৰুতিৰে আশীৰ্বাদ দিয়াৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**০৪ জানুৱাৰী** ঃ আমাৰ কানাড়া সহযোগী সম্পাদক ৰেভাৰেণ্ড আৰ ৰাম কৃষ্ণ আৰু তেওঁৰ পত্নীৰ শেহতীয়া অসুস্থতাৰ পৰা ক্ষিপ্ৰ আৰোগ্য লাভৰ বাবে।

**০৫ জানুৱাৰী** ঃ বিশ্বৰ নেতাসকলক ঐশ্বৰিক প্ৰজ্ঞাৰে ভৰা আৰু জনসাধাৰণৰ কল্যাণৰ দিশত কাম কৰাৰ বাবে।

**০৬ জানুৱাৰী** ঃ আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিক স্কুল আৰু নহিমিয়া বাইবেল কলেজত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ঐশ্বৰিক সুৰক্ষাৰ বাবে।

**০৭ জানুৱাৰী** ঃ আমাৰ সংস্থাৰ বাবে উপযুক্ত কৰ্মচাৰী।

**০৮ জানুৱাৰী** ঃ খ্ৰীষ্টানসকলে ঈশ্বৰৰ বাক্য অনুসৰণ কৰিবলৈ আৰু খ্ৰীষ্টৰ দৰে চৰিত্ৰ প্ৰদৰ্শন কৰিবলৈ।

**০৯ জানুৱাৰী** ঃ আমাৰ প্ৰয়োজনীয়তাৰ বাবে ঈশ্বৰৰ ব্যৱস্থা এই মাহত .........

**১০ জানুৱাৰী** ঃ আমাৰ পৰিচৰ্যাৰ অংশীদাৰ আৰু ৰাজ্যিক সমন্বয়সকলৰ তেওঁলোকৰ কাৰ্যকলাপৰ সফলতাৰ বাবে

**১১ জানুৱাৰী** ঃ আমাৰ পৰিচৰ্যাৰ সম্প্ৰসাৰণ আৰু বিশ্বব্যাপী শুভবাৰ্তাৰ প্ৰচাৰৰ বাবে।

**১২ জানুৱাৰী** ঃ ২০২৬ চনত ঈশ্বৰৰ শক্তিশালী হাতৰ তলত থাকিবলৈ পালক এছ, চাম চেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলক।

**১৩ জানুৱাৰী** ঃ দুষ্ট শক্তিৰ বিৰুদ্ধে সকলো গীজাৰ ঐশ্বৰিক সুৰক্ষাৰ বাবে।

**১৪ জানুৱাৰী** ঃ দেশৰ মাজত শান্তি আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে।

**১৫ জানুৱাৰী** ঃ বিশ্বজুৰি সকলো খ্ৰীষ্টিয়ান শিক্ষা সংস্থাৰ স্থায়ী সুনামৰ বাবে।

**১৬ জানুৱাৰী** ঃ সকলো মণ্ডলী আৰু খ্ৰীষ্টিয়ান সংগঠন চৰকাৰৰ ওচৰত আইনীভাৱে পঞ্জীয়ন কৰাৰ বাবে।

**১৭ জানুৱাৰী** ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবস্ক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ, মহান আজ্ঞাৰ অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে।

**১৮ জানুৱাৰী** ঃ ২০২৬ চনত বিশ্বজুৰি সু-স্বাস্থ্য, শান্তি আৰু সমৃদ্ধি।

....Contd. from page 4



**আমি ঈশ্বৰৰ কৰ্তৃত্বৰ ওচৰত আত্মসমৰ্পণ কৰোঁ। প্ৰতিটো প্ৰতিশ্ৰুতি পূৰণ হ'ব**

যেতিয়া আমি ঈশ্বৰৰ কৰ্তৃত্বৰ ওচৰত আত্মসমৰ্পণ কৰিম, তেতিয়া তেওঁ কোৱা প্ৰতিটো প্ৰতিজ্ঞা পূৰণ হ'ব।

বাহিনীসকলৰ প্ৰভুৱে আপোনাৰ আগত যাবলৈ ভয় নকৰিবা। তেওঁ তোমাৰ যুদ্ধবোৰ যুঁজিব।

যীচু খ্ৰীষ্টক ধৰি ৰাখক - তেওঁ যথেষ্টতকৈও অধিক। যীচুক চেষ্টা কৰক!

## ৪। আমাৰ পৰৱৰ্তীপদক্ষেপ দেখুৱাবলৈ পোহৰ জিলিকিছে!

আমি ভৱিষ্যতক ভয় কৰাৰ প্ৰয়োজন নাই, কাৰণ প্ৰভুৱেই আমাৰ পথ প্ৰদৰ্শক পোহৰ।

**তোমাৰ বাক্য মোৰ ভৰিৰ বাবে প্ৰদীপ স্বৰূপ আৰু মোৰ পথৰ দীপ্তস্বৰূপ।** গীতমালা ১১৯:১০৫

ঈশ্বৰে গোটেই পথটো একেলগে প্ৰকাশ নকৰে কিন্তু তেওঁ সদায় পৰৱৰ্তী পদক্ষেপটো দেখুৱাই দিয়ে। এটা এটাকৈ খোজ!



**ঈশ্বৰে গোটেই পথটো একেলগে প্ৰকাশ নকৰে - তেওঁ সদায় পৰৱৰ্তী পদক্ষেপটো দেখুৱাহি দিয়ে।**

আনকি যেতিয়া জীৱনটো বিভ্ৰান্তিকৰ অনুভৱ হয়, যেতিয়া সকলো আন্ধাৰ যেন লাগে, আৰু আমি নিজকে সুধি থকা দেখা পাওঁ, "মই কিয় প্ৰভু?" দায়ূদৰ কথাবোৰ মনত ৰাখিবা ঃ

**কিয়নো তুমিয়েই মোৰ প্ৰদীপ জ্বলাওতা; মোৰ ঈশ্বৰ যিহোৱাই মোৰ অন্ধকাৰক পোহৰ কৰি দিয়ে।** গীতমালা ১৮:২৮ ।

আমি নতুন বছৰত ভৰি দিয়াৰ লগে লগে আপোনাৰ পৰিয়াল পৰিচৰ্যা আৰু কেৰিয়াৰৰ বাবে ঈশ্বৰৰ নিৰ্দেশনা বিচাৰক।

তেওঁক বিচাৰক – কাৰণ তেওঁ অকলেই ভৱিষ্যত ধৰি ৰাখে।

## যিচয়াত ঈশ্বৰ প্ৰত্যাহ্বান জনাই আছে!

**মই আদিকালৰ লোকবিলাকক স্থাপন কৰাৰে পৰা মই প্ৰচাৰ কৰি বুজাই বৰ্ণনা কৰাৰ দৰে, কোনে মোৰ নিমিত্তে বৰ্ণনা কৰিব পাৰে? হ'বলগীয়া আৰু ভৱিষ্যত কথা কোনে প্ৰকাশ কৰিব পাৰে?** যিচয়া ৪৪:৭ পদ।

প্ৰিয় বন্ধুসকল, ২০২৬ চনত প্ৰৱেশ কৰাৰ আগতে ঈশ্বৰক জিলিকিবলৈ অনুৰোধ কৰোঁ আৰু আহক তেওঁৰ পোহৰ আমাৰ জীৱন, আমাৰ সন্তান আৰু আমাৰ উদ্দেশ্যৰ বাবে তেওঁৰ পৰিকল্পনাক প্ৰকাশ কৰিবলৈ কওঁ। তেওঁ নিষ্ঠাৰে আমাক আগলৈ কি হ'ব তাক দেখুৱাব।

## ৫। আমাক সুৰক্ষা আৰু ৰক্ষা কৰিবলৈ পোহৰ জিলিকি উঠে!

**হে মোৰ শত্ৰু, মোৰ অহিতে আনন্দ নকৰিবাহঁকযদিও মই পৰিলো তথাপি মই আকৌ উঠিম আৰু যদিও মই আন্ধাৰত বহিছোঁ, তথাপি মোৰ পক্ষে যিহোৱা পোহৰ হ'ব।** মীখা ৭:৮ পদ।

কি যে শক্তিশালী প্ৰতিশ্ৰুতি! লাজত, নিৰুৎসাহিত বা হতাশাত বহি থাকিলেও আমি পুনৰ উঠিম, কাৰণ প্ৰভু নিজেই আমাৰ পোহৰ।

হয়তো ২০২৫ চন আপোনাৰ শ্ৰেষ্ঠ বছৰ হোৱা নাই - কিন্তু মনত ৰাখিব, ঈশ্বৰৰ সহায়ত আপুনি পুনৰ উঠিব পাৰিব। আপুনি যি হেৰুৱাইছে, ঈশ্বৰে পুনৰুদ্ধাৰ কৰিব পাৰে যদিহে আপুনি তেওঁৰ প্ৰতি বিশ্বাসী হৈ থাকে।

যেতিয়া ইস্ৰায়েলীসকলে চূফ সাগৰৰ সন্মুখত থিয় হৈছিল দুয়োফালে পৰ্বত আৰু পিছফালে ফৰৌণৰ সৈন্য, ঈশ্বৰৰ উপস্থিতিয়ে তেওঁলোকক ৰক্ষা কৰিবলৈ আগবাঢ়িছিল ঃ

**পাছে ঈশ্বৰৰ যি দূত ইস্ৰায়েলৰ সৈন্যৰ আগে আগে গৈছিল, তেওঁ তেওঁবিলাকৰ আগৰ পৰা পাছলৈ গ'ল... মিচৰীয়া সৈন্যসমূহ আৰু ইস্ৰায়েলীয়া সৈন্যসমূহৰ মাজত থাকিলহি। সেয়ে ইফালে অন্ধকাৰময় মেঘ হ'ল, কিন্তু সিফালে ৰাতি পোহৰ দিওঁতা হ'ল...** - যাত্ৰাপুস্তক ১৪:১৯-২০

৯ পৃষ্ঠাত চাওক


নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ

Chepauk & Santhoshapuram, Velachery Chennai.

ডিপ্লমা ইন থিয়ল'জি & Bachelor of Theology

Medium :Tamil (Part Time) Hindi (Residential) (Sponsorship Available)

নামভৰ্তিৰ বাবে সোনকাল কৰক!

Recognised by International Christian Leaders & Senior Pastors for the past 56 years

Contact : The Chairman, Nehemiah Bible College.

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.

Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858

E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## মুখ্য কাৰ্য্যালয়ৰ কাৰ্য্যক্ৰমবিলাক

১। প্ৰাৰ্থনা সেৱা : ২৪ ঘণ্টা

২। **বিব্লিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ : ইংৰাজী, হিন্দী আৰু তামিল।

৩। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** আলোচনী :
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাবী; উৰ্দু, সিংহালী আৰু আফ্ৰিকান।

৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।

৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম : ইংৰাজী আৰু তামিল।

৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

৭। প্ৰশিক্ষণ কাৰ্যসূচীবোৰ।

৮। সভা।

৯। পত্ৰিকা পৰিচৰ্যা - স্থিৰভাৱে অনুসৰণ কৰা।

১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।

১১। চেইণ্ট পৌল মেট্ৰিকুলেশ্বন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।

১২। দেওবৰীয়া স্কুল : (চেপাক) পুৱা ১০.৩০ দেওবাৰ আৰু (ভেলাচেৰী, বালাজী নগৰ আৰু সন্তোষাপুৰম) আবেলি ৩.০০ দেওবাৰ

১৩। **পুৱতী নিশাৰ প্ৰাৰ্থনা** : দেওবাৰ ৫.৩০ বজাত

১৪। **প্ৰাথমিক আৰাধনা** : দেওবাৰ ৮.০০ দেওবাৰ

১৫। **তামিল উপাসনা** : পুৱা ৮.৩০ দেওবাৰ

১৬। **যুৱক-যুৱতীসকলৰ উপাসনা** : দেওবাৰ ১১.০০ বজাত

১৭। **সহভাগিতাৰ আহাৰ** : দেওবাৰে ১.০০ দেওবাৰ

১৮। **হিন্দী উপাসনা** : আবেলি ৫.০০ দেওবাৰ

১৯। **তেলেগু উপাসনা** : আবেলি ৪.০০ দেওবাৰ

২০। **ইংৰাজী আৰু তামিল সেৱা** : সন্ধ্যা ৬.০০ বজাত দেওবাৰ

২১। মতামতৰ সময় : দেওবাৰ ৭.৩০ বজাত

২২। মহিলাসকলৰ প্ৰাৰ্থনা সভা : সন্ধ্যা ৫.৩০ বজাত বুধবাৰ

২৩। পুৰুষসকলৰ বিশেষ উপাসনা : গধূলি ৭.৩০ বজাত শুক্ৰবাৰ

২৪। কৰ্মকৰ্ত্তা সকলৰ সভা : সন্ধ্যা ৬.০০ বজাত শনিবাৰ

২৫। শিষ্যত্বৰ সভা : সন্ধ্যা ৬.০০ বজাতশনিবাৰ

২৬। গৃহ সভা : সন্ধ্যা ৬.৩০ বজাত মঙ্গলবাৰ আৰু বৃহস্পতিবাৰ

২৭। বিশেষ প্ৰভু ভোজ : পুৱা ৬.০০ প্ৰত্যেক মাহৰ প্ৰথম দিনত

২৮। পৰিচৰ্যাকাৰীসকলৰ সভা : গধূলি ৬.০০ প্ৰথম শনিবাৰ

২৯। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা : আবেলি ৪.০০ বজাত প্ৰথম দেওবাৰ

৩০। নিশাৰ প্ৰাৰ্থনা : গধূলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ

৩১। উপবাস প্ৰাৰ্থনা : পুৱা ৯.৩০ তৃতীয় শনিবাৰ

৩২। প্ৰভু ভোজ : দ্বিতীয় দেওবাৰৰ উপাসনাত

৩৩। যুৱক-যুৱতী/শিশুসকলৰ প্ৰাৰ্থনা : প্ৰতিদিনে ৰাতি ১০.০০ বজাত (ফোনৰ জৰিয়তে)

৩৪। কৰ্মচাৰী সকলৰ উপাসনা : পুৱা ৯.০০ টা দৈনিক

৩৫। কাৰ্যালয় : পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

### ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয়সকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱনঙ** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ **শিক্ষা** বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
Echo of His Call, **Post Box 2957**
CHEPAUK, CHENNAI - 600 005.

**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

### TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | |
|---|---|
| **Account Name** | : **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : **1023 2923 805** |
| **Bank Name** | : **STATE BANK OF INDIA** |
| **Branch** | : **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : **SBIN 0000249** |
| **SWIFT Code** | : **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## গৌৰৱময় ঈশ্বৰ !

> "নৰিয়াবিলাকক সুস্থ কৰিবা, মৃতবিলাকক তুলিবা, কুষ্ঠ ৰোগীবিলাকক শুচি কৰিবা, ভূতবোৰক খেদাবা; বিনামূল্যে তোমালোকে পালা, বিনামূল্যেই দান কৰিবা। - মথি ১০: ৮ পদ।

মোৰ প্ৰাৰম্ভিক দিনৰ পৰাই ঈশ্বৰে মোৰ পৰিচৰ্যাৰ জীৱনত মহান আশ্চৰ্য্য আৰু আচৰিত কাৰ্য কৰি আহিছে। মোৰ সীমাবদ্ধতাৰ বাহিৰত ঈশ্বৰে তেওঁৰ পবিত্ৰ স্বৰ্গদূতসকলক জৰুৰী প্ৰয়োজনৰ সময়ত মোক সহায় কৰিবলৈ পঠিয়াইছিল। বহু সময়ত মই ঈশ্বৰৰ শক্তিৰ সাক্ষী হৈছো যি যি তেওঁ মোৰ ওপৰত বৰষাই দিছিল, যেতিয়াই মই তেওঁক মাতিছিলো।

১৯৯৩ চনৰ ভিতৰত কোনোবাই মোক ফোন কৰি ক'লে, মাদ্ৰাছ (চেন্নাই) চহৰৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ দূৰত্বত বসবাস কৰা শ্ৰীমতী ৰ'জ মেৰী নামৰ এগৰাকী ভদ্ৰ মহিলাই অশুভ আত্মাৰ আক্ৰমণ আৰু দখলৰ বাবে বহু বছৰ ধৰি কষ্ট পাইছিল। ইয়াৰ বাবেই তাই খাদ্য খাব পৰা নাছিল আৰু শুব পৰা নাছিল। তাইৰ জীৱন কাঢ়ি লম বুলি পৰিয়ালৰ লোকক ভাবুকি দিয়াৰ অভ্যাস। লগতে কেইবাবাৰো আত্মহত্যাৰ চেষ্টা কৰিছিল। তাইক নিয়ন্ত্ৰণ কৰিবলৈ তাইৰ হাত-ভৰি বান্ধি এটা সুকীয়া কোঠাত থৈ দিয়া হ'ল।

যেতিয়া তাইৰ পৰিয়ালৰ সদস্যসকলে মোক তাইৰ মুক্তিৰ বাবে প্ৰাৰ্থনা কৰিবলৈ মাতিছিল, তেতিয়া মই কিছু সময় প্ৰাৰ্থনাত কটালোঁ, আধ্যাত্মিক পথ প্ৰদৰ্শন কৰিলোঁ আৰু পৰিয়ালটোৰে থকা ঠাইখনলৈ গ'লোঁ। আনকি ঘৰৰ পৰা ওলাই যোৱাৰ সময়ৰ পৰাই চয়তানৰ পৰা কিছু বিৰোধিতা অনুভৱ কৰিবলৈ সক্ষম হৈছিলো। মই সেই ঠাই পোৱাৰ আগতেই শাৰীৰিক আৰু মানসিকভাৱে চয়তানে মোক আক্ৰমণ কৰিছিল।

সেই ভদ্ৰ মহিলাগৰাকীৰ ঘৰত সোমোৱাৰ লগে লগে তাইৰ পৰিয়ালৰ লোকসকলক তাইৰ বান্ধোন খুলি মুক্ত কৰি দিবলৈ ক'লো। বান্ধ খোলাৰ লগে লগে তাই ইফালে-সিফালে দৌৰিবলৈ ধৰিলে



আৰু কথা ক'বলৈ ধৰিলে আৰু তাই মোৰ পৰা পলাব বিচাৰিছিল। যদিও, মই প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাসী এজন যুৱক আছিলো, তথাপিও প্ৰভুৱে মোক দুষ্ট আগ্ৰাসী ব্যক্তিজনৰ সন্মুখীন হ'বলৈ বিশেষ সাহস আৰু শক্তি দিছিল।

প্ৰভু যীচু খ্ৰীষ্টৰ ওপৰত মোৰ সমগ্ৰ আস্থা ৰাখি মই মোৰ মুখ মেলি দুষ্ট আত্মাক ভদ্ৰ মহিলা গৰাকীৰ পৰা আঁতৰি যাবলৈ আজ্ঞা দিলোঁ। লগে লগে ভদ্ৰ মহিলাগৰাকীৰ কাম-কাজ অশান্ত হৈ পৰিল আৰু ওপৰলৈ তললৈ জপিয়াই ছাদৰ বীমটো ধৰি ভৰিৰে ৰাইজক আক্ৰমণ কৰিবলৈ চেষ্টা কৰিলে। কোনেও তাইক নিয়ন্ত্ৰণত আনিব পৰা নাছিল। মোৰ চাৰিওফালে থিয় হৈ থকা মানুহবোৰে মোৰ মুখখনলৈ থতমত খাই চাই আছিল। কিন্তু মই মোৰ মাজত প্ৰভু যীচু খ্ৰীষ্টৰ শক্তি অনুভৱ কৰিবলৈ সক্ষম হৈছিলো আৰু আত্মবিশ্বাসী হৈছিলো যে ঈশ্বৰে নিশ্চয় হস্তক্ষেপ কৰিব।

শেষত মই আকৌ মুখখন মেলি চয়তানক আজ্ঞা দিলোঁ "চয়তান, এই ভদ্ৰ মহিলাগৰাকীক আৰু অত্যাচাৰ কৰাৰ কোনো কৰ্তৃত্ব তোমাৰ নাই। নাচৰতীয়া যীচু খ্ৰীষ্টৰ নামত মই তোমাক এই ভদ্ৰমহিলাৰ পৰা এতিয়াই আঁতৰি যাবলৈ আজ্ঞা দিছো। মই যীচু খ্ৰীষ্টৰ নামত আজ্ঞা দিছো যে তোমাৰ মুখখন বন্ধ কৰি এতিয়াই নামি আহা আৰু এই ভদ্ৰমহিলাগৰাকীৰ পৰা তৎক্ষণাত আঁতৰি যোৱা।"

লগে লগে তাই চিএঞৰ-বাখৰ বন্ধ কৰি মৃতদেহৰ দৰে মাটিত পৰিল। তাৰ পাছত মই তাইৰ মূৰত হাত থৈ প্ৰভুক অনুৰোধ কৰিলোঁ যে তাইক সতেজ আৰু নতুন জীৱন দিয়ক। লগে লগে তাইৰ চেতনা ঘূৰি আহিল আৰু তাই সকলোকে আচৰিত হৈ চাই আছিল। সেই

সময়ৰ পৰাই তাই চয়তানৰ কবলৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হৈ স্বাভাৱিক খ্ৰীষ্টিয়ান জীৱন-যাপন কৰিবলৈ আৰম্ভ কৰিলে।

প্ৰিয় পাঠকসকল, একেজন যীচু খ্ৰীষ্টই এতিয়াও জীয়াই আছে আৰু আপোনালোক আৰু মোৰ বাবে উপলব্ধ। তেওঁ আপোনাৰ জীৱনত যিকোনো আচৰিত কাৰ্য কৰিব পাৰে। মাত্ৰ তেওঁক গ্ৰহণ কৰক; নিজৰ পাপ স্বীকাৰ কৰক আৰু তেওঁৰ অনুসৰণ কৰক। প্ৰভুৱে মোক লৈ গৈছে পৃথিৱীৰ কেইবাটাও অংশই তেওঁৰ বাক্যক চিন আৰু আশ্চৰ্যৰ দ্বাৰা নিশ্চিত কৰিছে। তেওঁ আপোনাক বহুত ভাল পায়। তেওঁক আপোনাক প্ৰয়োজন। **ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক বন্ধু।**



*************

....Contd. from page 6



যেতিয়া আন্ধাৰক একালে ৰাখি আৰু আনফালে পোহৰ দিলে

ঈশ্বৰে তেওঁৰ লোক আৰু তেওঁলোকৰ শত্ৰুৰ মাজত থিয় হৈছিল - জুইৰ স্তম্ভৰ মাজেৰে পোহৰ আৰু সুৰক্ষা দুয়োটাকে আনিছিল।

ঈশ্বৰে গোটেই ৰাতি জিলিকি থাকি তেওঁলোকক ফৰৌণৰ সৈন্যৰ পৰা ৰক্ষা কৰি আছিল, যেতিয়ালৈকে ঈশ্বৰৰ লোকসকল নিৰাপদ নহ'ল।

প্ৰিয় ভাই-ভনীসকল, "প্ৰভুৱে আপোনাৰ আগত খোজ কাঢ়িছে, তেওঁ আপোনাৰ বেঁকা পথবোৰ পোন কৰি দিব, যদি তেওঁ আপোনাৰ পিছফালে খোজ কাঢ়িবলগীয়া হয়, তেন্তে তেওঁ কৰিব।

এই সত্যটোক বুজাই দিয়া এটা সুন্দৰ যিহুদী কাহিনী আছে ঃ

"এজন পিতৃ আৰু তেওঁৰ কণমাণি পুত্ৰই এক অকলশৰীয়া বাটেৰে খোজকাঢ়ি গৈ আছিল, যেতিয়া এজন চোৰ আগত আবিৰ্ভাৱ হ'ল, পিতৃয়ে পুত্ৰক ৰক্ষা কৰিবলৈ পিছলৈ টানি লৈ গ'ল। পিছত পিছফালৰপৰা বনৰীয়া জন্তু এটা ওচৰ চাপি অহাত পিতৃয়ে পুত্ৰক আগলৈ লৰচৰ কৰিলে। দুয়োফালৰ পৰা বিপদ আহিলত পিতৃয়ে পুত্ৰক ওপৰলৈ তুলি লৈ গ'ল।



পিতৃয়ে পুত্ৰক কান্ধত তুলি নিৰাপদ স্থানলৈ লৈ যায়।

একেদৰে আমাৰ স্বৰ্গীয় পিতৃয়েও আমাক ৰক্ষা কৰে। তেওঁ জানে কেতিয়া আমাৰ আগত যাব লাগে, কেতিয়া পিছফালে থিয় হ'ব লাগে আৰু কেতিয়া আমাক কঢ়িয়াই নিব লাগে।

ঈশ্বৰে আপোনাৰ যুদ্ধত যুঁজ দিয়ক - তেওঁ বাহিনীবিলাকৰ ঈশ্বৰ!

## উপসংহাৰ!

**পোহৰ জিলিকি উঠে যাতে আমি পোহৰ হ'ব পাৰো**

ঈশ্বৰ আমাৰ পোহৰ কিন্তু - তেওঁ আমাক এই অন্ধকাৰ জগতখনত পোহৰধাৰী হ'বলৈও মাতিছে।



তেওঁ আমাক এই অন্ধকাৰ জগতখনত পোহৰৰ বাহক হ'বলৈ মাতিছে।

যিজনে (তেওঁ) তোমালোকক আন্ধাৰৰ পৰা নিজৰ আচৰিত পোহৰলৈ মাতিছে।" ১ পিতৰ ২:৯। মানুহৰ আগত তোমালোকৰ পোহৰ এনেকৈ উজ্জ্বল হওক, যাতে তেওঁলোকে তোমালোকৰ সৎকৰ্ম দেখি স্বৰ্গত থকা তোমালোকৰ পিতৃৰ মহিমা কৰে। মথি ৫:১৬

আমাৰ জীৱনত ঈশ্বৰৰ মঙ্গল আৰু সত্য প্ৰতিফলিত হোৱা উচিত। আপোনাৰ কথাতকৈ আপোনাৰ কৰ্মই বেছিকৈ কওক। আপোনাৰ দয়া, কৰ্ম আৰু সততাৰ দ্বাৰা আনসকলে খ্ৰীষ্টক চাওক।

মোৰ প্ৰিয় বন্ধুসকল, ২০২৬ চনত কি আছে আপোনালোকে হয়তো নাজানে - কিন্তু যিজনে ইয়াক ধৰি ৰাখিছে তেওঁক বিশ্বাস কৰিব পাৰে।

ভয় নকৰিব। আপোনাৰ জীৱনৰ প্ৰতিটো অংশতে ঈশ্বৰৰ পোহৰ জিলিকি উঠক।

**কাইলৈৰ কথা চিন্তা নকৰিব!**

... কাইলৈ নিজৰ বাবে চিন্তা কৰিব... মথি ৬:৩৪

আজি আপোনাৰ বোজা যিয়েই নহওক কিয়, মনত ৰাখিব; যীচুৱে, জগতৰ পোহৰ, প্ৰতিটো ভয় আৰু অনিশ্চয়তাৰ মাজেৰে জিলিকি উঠিব পাৰে।

তেওঁৰ পোহৰ আপোনাৰ আন্ধাৰতকৈ শক্তিশালী, তেওঁৰ শান্তি আপোনাৰ বিপদতকৈও অধিক আৰু তেওঁৰ শক্তি যিকোনো বিৰোধিকাতকৈও অধিক।

**কিয়নো তোমাৰ লগত জীৱনৰ ভুমুক আছে; তোমাৰ দীপ্তিতে আমি দীপ্তি পাম।** - গীতমালা ৩৬:৯।

*************

**NOTICE**

Save our mobile numbers (+91) 98410 71858, (+91) 98412 71858 (main numbers) in your mobile phones.

- Editor

Posted at "Egmore RMS Patrika Channel" RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা | জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.org

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS Patrika Channel"**
**on 12th DECEMBER 2025**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**